# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-08-2025 **Time :** 1910 Hrs.

## *Assamese Evening Bulletin*
## *HEADLINES*

১। ভাৰতে এতিয়াৰে পৰা তেজ আৰু পানী একেলগে ববলৈ নিদিয়াৰ সিদ্ধান্ত লৈছে। দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসত লালকিল্লাৰ পৰা দেশবাসীক সম্বোধি দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা উল্লেখ কৰে।

২। শ্ৰীমোদীয়ে কয় যে দেশে শত্ৰু ৰাষ্ট্ৰৰ যিকোনো প্ৰচেষ্টা ব্যৰ্থ কৰাৰ বাবে শক্তিশালী অস্ত্ৰ প্ৰণালী গঢ়ি তোলাৰ বাবে মিছন সুদৰ্শন চক্ৰ আৰম্ভ কৰিব।

৩। অসমত বিগত ৪ বছৰত ১১ হাজাৰৰো অধিক বিদ্ৰোহীয়ে হিংসাৰ পথ ত্যাগ কৰি মূলসুঁতিলৈ ঘূৰি আহিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

*আৰু*

৪। কৃষকসকলৰ স্বাৰ্থত আঘাত হানিব পৰা কোনো বিষয়ক লৈ ভাৰতে আন দেশৰ সৈতে কোনো ধৰণৰ চুক্তিত স্বাক্ষৰ নকৰে বুলি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে ঘোষণা কৰে।

oooooooo

ভাৰতে এতিয়াৰে পৰা তেজ আৰু পানী একেলগে ববলৈ নিদিয়াৰ সিদ্ধান্ত লৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে। দিল্লীৰ ঐতিহাসিক লালকিল্লাত দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে সিন্ধু চুক্তি অন্যায় আছিল বুলি দেশবাসীয়ে এতিয়া উপলব্ধি কৰিছে। ভাৰতে এতিয়া আৰু পাৰমাণৱিক ভাবুকিৰ ওচৰত সেও নামানে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। স্বাধীনতা দিৱস আশা আৰু আকাংক্ষাৰ উৎসৱ বুলি উল্লেখ কৰি তেওঁ কয়, যে ১৪০ কোটি ভাৰতীয়ৰ সংকল্প আৰু দেশৰ সাফল্যক লৈ গৌৰৱ কৰাৰ উপলক্ষে এই দিৱস উদযাপন কৰা হৈছে।

শ্ৰীমোদীয়ে ভাষণৰ আৰম্ভণিতে অপাৰেচন সিন্দূৰৰ সাহসী সৈনিকসকললৈ প্ৰণিপাত জনাই কয়, যে এই অভিযান দেশৰ সশস্ত্ৰ বাহিনীৰ সাহস আৰু বীৰত্বৰ শক্তিশালী প্ৰতীক। চৰকাৰে সশস্ত্ৰ বাহিনীক এই অভিযানৰ ৰণনীতি প্ৰস্তুত, লক্ষ্য আৰু সময় নিৰ্ধাৰণৰ বাবে সম্পূৰ্ণ স্বাধীনতা দিছিল বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে দেশৰ সাহসী সৈনিকসকলে শত্ৰুপক্ষক যোগ্য প্ৰত্যুত্তৰ দিলে। তেওঁ কয়, যে দেশৰ সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ পূৰ খণ্ডৰ কেইবাশ কিলোমিটাৰ ভিতৰলৈ গৈ সন্ত্ৰাসবাদী ঘাটিসমূহ ধূলিসাৎ কৰে। তেওঁ কয় যে পেহেলগামৰ হিংসাত্মক আক্ৰমণত প্ৰতিগৰাকী ভাৰতীয়ই ক্ষোভিত হৈছে আৰু অপাৰেচন সিন্দূৰ হৈছে তাৰেই বহিঃপ্ৰকাশ।

শ্ৰীমোদীয়ে কয় যে দেশে শত্ৰু ৰাষ্ট্ৰৰ যিকোনো প্ৰচেষ্টা ব্যৰ্থ কৰাৰ বাবে শক্তিশালী অস্ত্ৰ প্ৰণালী গঢ়ি তোলাৰ বাবে মিছন সুদৰ্শন চক্ৰ আৰম্ভ কৰিব। তেওঁ কয়, যে পৰৱৰ্তী ১০ বছৰত এই ৰাষ্ট্ৰীয় সুৰক্ষা ঢালৰ সম্প্ৰসাৰণ সুদৃঢ়কৰণ আৰু আধুনিকীকৰণ কৰা হ'ব। তেওঁ লগতে এই মিছনটো মহাপ্ৰভু শ্ৰীকৃষ্ণৰ সুদৰ্শন

চক্ৰৰ লগত সংযোগ কৰি ভাৰতীয়সকলে আধুনিক প্ৰতিৰক্ষা উদ্ভাৱনক পথ প্ৰদৰ্শন কৰিবলৈ নিজৰ চহকী সংস্কৃতি আৰু পৌৰাণিক ঐতিহ্যৰ পৰা প্ৰেৰণা লাভ কৰাৰ আলোকপাত কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ প্ৰতিৰক্ষা, প্ৰযুক্তি, শক্তি, মহাকাশ অভিযান আৰু উৎপাদন ক্ষেত্ৰৰ অগ্ৰগতিত আত্মনিৰ্ভৰ ভাৰত অন্যতম বুলি উল্লেখ কৰে। কৃষক আৰু মাছমৰীয়াসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে দেশ সদায় প্ৰাচীৰ হিচাপে থিয় দিব বুলি অৱগত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱ প্ৰজন্মৰ বাবে প্ৰায় ১ লাখ কোটি টকা ব্যয়সাপেক্ষে বিকশিত ভাৰতৰ অধীনত ৰোজগাৰ যোজনা আৰম্ভ কৰিব বুলি ঘোষণা কৰে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে ভাৰতবৰ্ষক আত্মনিৰ্ভৰশীল আৰু উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে কাম কৰি আছে। তেওঁ লগতে কয়, যে আত্মনিৰ্ভৰ ভাৰত বিকশিত ভাৰতৰ ভেঁটিস্বৰূপ আৰু সম্প্ৰতি দেশৰ সকলো ক্ষেত্ৰত আধুনিক ব্যৱস্থা গঢ়ি তোলাৰ কাম চলি আছে।

প্ৰধানমন্ত্ৰীয়ে পৰৱৰ্ত্তী পৰ্যায়ৰ সংস্কাৰ সাধনৰ বাবে এটা সমৰ্পিত সংস্কাৰ কৰ্মবাহিনী গঠনৰ কথাও ঘোষণা কৰে। শ্ৰীমোদীয়ে সীমান্ত অঞ্চলসমূহত অনুপ্ৰবেশ আৰু অবৈধ প্ৰব্ৰজনৰ বাবে হোৱা জনগাঁথনিৰ ভাৰসাম্যহীনতা সমস্যাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে। তেওঁ এই সমস্যা সমাধানৰ বাবে উচ্চ পৰ্যায়ৰ জনগাঁথনি অভিযান মুকলি কৰাৰ কথাও ঘোষণা কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে এই অভিযানে ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বান দূৰ কৰাৰ লগতে একতা আৰু ভাৰতৰ জনসাধাৰণৰ অধিকাৰক সুৰক্ষিত কৰিব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে সমুদ্ৰৰ ন-ন উৎসৰ উদঘাটনৰ লগতে সৌৰ শক্তি আৰু পাৰমাণিক শক্তি ক্ষেত্ৰৰ প্ৰসাৰৰ বাবে ৰাষ্ট্ৰীয় ভূগৰ্ভ পানীৰ আহৰণ অভিযান মুকলি কৰাৰ কথাও ঘোষণা কৰে। প্ৰধানমন্ত্ৰীয়ে ব্যক্তিগত খণ্ডৰ অংশীদাৰিত্বত দেশৰ সৌৰ শক্তিৰ প্ৰসাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে বৰ্তমান ১০টা নতুন পাৰমাণবিক ৰিয়েক্টৰ কাৰ্যক্ষম হৈ আছে। প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ স্বাধীনতাৰ শতবৰ্ষত ভাৰতে যাতে নিজৰ পাৰমাণবিক শক্তিক্ষমতা ১০ গুণ বৃদ্ধি কৰি এটা দীৰ্ঘম্যাদী শক্তি উৎস গঢ়ি তুলিব পাৰে তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে এই বছৰৰ শেষৰ ভাগলৈ ভাৰতে স্বদেশত নিৰ্মিত চেমিকণ্ডাক্টৰ চিপ মুকলি কৰিব বুলিও ঘোষণা কৰে। তেওঁ কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ সুৰক্ষা, প্ৰযুক্তি আদি ক্ষেত্ৰৰ উদঘাটনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা সফলতাৰে ঘূৰি অহা গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাৰ সফলতাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ নিজা মহাকাশ কেন্দ্ৰৰ পৰিকল্পনাৰ বিষয়েও প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰতে গগণযানৰ বাবেও প্ৰস্তুতি চলাই আছে। তেওঁ যোৱা দশকটোত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ স্বেচ্ছাসেৱকসকলে আগবঢ়োৱা সেৱাৰ কথাও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে আজি স্বাধীনতা দিৱসৰ বাবে আমন্ত্ৰণ জনোৱা বিশেষ অতিথি আৰু বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতেও মত-বিনিময় কৰে।

00000000

দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে দিয়া ভাষণত প্ৰদানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৭ চনত কাৰ্যকৰী হোৱা সামগ্ৰী আৰু সেৱা কৰ চমুকৈ জিএছটিয়ে দেশৰ অগ্ৰগতিত আগবঢ়োৱা অৱদান সন্দৰ্ভত আলোকপাত কৰে। সাধাৰণ জনতা, কৃষক, মধ্যবিত্ত শ্ৰেণীৰ লোক আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ বাবে জিএছটিয়ে সকাহ কঢ়িয়াই আনিছে বুলি মন্তব্য কৰি প্ৰধানমন্ত্ৰীয়ে জিএছটি পৰৱৰ্ত্তী পৰ্যায়ৰ সংস্কাৰত গুৰুত্ব আৰোপ কৰে। চৰকাৰে পৰৱৰ্তী পৰ্যায়ত জিএছটিয়ে আত্মনিৰ্ভৰ ভাৰতৰ তিনিটা স্তৰ - গাঁথনিগত সংস্কাৰ, হাৰৰ উচিত মূল্য আৰু সহজলভ্য জীৱন যাপনত গুৰুত্ব প্ৰদান কৰিব বুলিও উল্লেখ কৰে। এই বিষয়টো পৰীক্ষণ কৰিবলৈ জিএছটি পৰিষদে গঠন কৰা মন্ত্ৰীগোটলৈ প্ৰেৰণ কৰা হৈছে। এই সংস্কাৰৰ জৰিয়তে শ্ৰেণীবিভাজন সম্পৰ্কীয় বিবাদ হ্ৰাস কৰা, নিৰ্দিষ্ট খণ্ডসমূহত বিপৰীত শুল্কৰ গাঁথনি

সংশোধন কৰা, হাৰৰ অধিক সুস্থিৰতা নিশ্চিত কৰা, ব্যৱসায় সহজলভ্য কৰা আদি চেষ্টা কৰা হ'ব। এই ব্যৱস্থাসমূহে মূল অৰ্থনৈতিক খণ্ডসমূহ অধিক শক্তিশালী কৰাৰ লগতে সম্প্ৰসাৰণ বৃদ্ধি কৰিব।

oooooooo

ৰাজ্যত বিগত ৪ বছৰত ১১ হাজাৰৰো অধিক বিদ্ৰোহীয়ে হিংসাৰ পথ ত্যাগ কৰি মূলসুঁতিলৈ উভতি আহিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২১ চনৰ পৰা ১১ হাজাৰৰো অধিক নিষিদ্ধ ঘোষিত সংগঠনৰ সদস্যক পুনৰ সংস্থাপন দিয়া হৈছে। আলফা, আদিৱাসী আৰু ডিমাচা উগ্ৰপন্থীৰ সৈতে শান্তি চুক্তি সম্পন্ন কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ এই শান্তি চুক্তি অনুসৰি ৰাজ্যৰ আন্তঃগাঁথনি বিকাশৰ বাবে ৪ হাজাৰ কোটি টকাৰ আৱণ্টনত অনুমোদন জনাইছে।

নিজৰ ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে স্বৰাজোত্তৰ অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈক সোঁৱৰণ কৰে। তেওঁ কয়, যে বৰদলৈয়ে অসমৰ থলুৱা লোকসকলৰ সুৰক্ষাৰ লগতে প্ৰগতিৰ পথেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। ড° শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোহিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অসমক দেশৰ তৃতীয়খন দ্ৰুত বিকাশশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়য়েও মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে। চাংসাৰিত উত্তৰ-পূবৰ প্ৰথমখন এইমছ, গুৱাহাটীৰ প্ৰস্তাৱিত ৰিং ৰোড প্ৰকল্প, কলিয়াবৰ, নুমলীগড়ত এলিভেটেড কৰিডৰ, নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথৰ লগতে কেইবাটাও প্ৰকল্পৰ কথা মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে। ৰাজ্যখনত এহেজাৰ ৫০০ কিলোমিটাৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰাৰ লগতে অহা ডিচেম্বৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনেল উদ্বোধন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ৰাজ্যৰ জনগাঁথনিৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা দূৰ কৰিবলৈ অসম চৰকাৰে চলোৱা উচ্ছেদ অভিযানৰ প্ৰসংগও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ অবৈধ দখলকাৰীৰ পৰা ভূমি পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰত দায়িত্বশীল নাগৰিক হিচাপে নিজৰ কৰ্তব্য পালন কৰিবলৈ সকলোকে আহ্বান জনায়।

oooooooo

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে ভাৰতে কৃষকসকলৰ স্বাৰ্থত আঘাত হানিব পৰা কোনো বিষয়ক লৈ আন দেশৰ সৈতে কোনো ধৰণৰ চুক্তিত স্বাক্ষৰ নকৰে। নতুন দিল্লীত আজি দেশৰ কৃষকসকলৰ সৈতে হোৱা এটা মত-বিনিময়ত শ্ৰীচৌহানে কয় যে এনে চুক্তিয়ে দুয়োপক্ষক সমানেই লাভান্বিত কৰিব লাগিব। তেওঁ কয় যে কৃষকসকলৰ কল্যাণ আৰু ৰাষ্ট্ৰ কল্যাণ কেন্দ্ৰীয় চৰকাৰৰ সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয়।

oooooooo

ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৱে প্ৰধানমন্ত্ৰী আৰু ভাৰতৰ জনসাধাৰণক দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমেক্ৰ'ৱে ২০৪৭ চন আৰু তাৰ আগলৈও ভাৰত আৰু ফ্ৰান্সৰ মাজত থকা কৌশলগত অংশীদাৰিত্ব আৰু অধিক সুদৃঢ় হ'ব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে যোৱা মাহত ফ্ৰান্সৰ ইউৰোপ আৰু বৈদেশিক মন্ত্ৰী জন নোয়েল বেৰটে কৈছিল যে ভাৰত আৰু ফ্ৰান্সৰ সম্পৰ্ক বিশ্বাসৰ ভেটিতেই হৈছে বিশ্বাস।

oooooooo

সমাপ্ত